**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে ইজৰাইলক সদায়ে সহযোগিতা আগবঢ়াই যাব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইজৰাইলৰ সংসদ কেনছেটত দিয়া ভাষণত প্ৰকাশ কৰে।

২। দহখন ৰাজ্যৰ ৩৭খন ৰাজ্যসভা আসনৰ নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে অধিসূচনা জাৰি কৰিছে।

৩। জেনেভাত ২৩ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ ৬১ সংখ্যক অধিৱেশনত ভাৰতে পাকিস্তানক কঠোৰ বাৰ্তা দিছে।

৪। স্বাধীনতা সংগ্ৰামী বীৰ বিনায়ক দামোদৰ সাভাৰকাৰৰ মৃত্যুবাৰ্ষিকী উপলক্ষে আজি কৃতজ্ঞ ৰাষ্ট্ৰই শ্ৰদ্ধা নিবেদন কৰিছে।

আৰু

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ৮-ৰ খেলত আজি ৱেষ্ট ইণ্ডিজ-দক্ষিণ আফ্ৰিকাৰ আৰু ভাৰত-জিম্বাৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচী লৈ ইজৰাইলত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবিৰোধী যুঁজত ইজৰাইলৰ কাষত থকাৰ কথা প্ৰকাশ কৰিছে। ইতিহাস সৃষ্টি কৰি প্ৰথমবাৰৰ বাবে ইজৰাইলৰ সংসদ নেছেটত দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে সন্ত্ৰাসবাদ হৈছে –পৃথিৱীৰ যিকোনো স্থানতে শান্তিৰ প্ৰতি ভাবুকি আৰু ভাৰতে ইয়াক মষিমুৰ কৰিবলৈ কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। ইজৰাইলৰ সংসদত ভাষণ দিয়া নৰেন্দ্ৰ মোদী হৈছে – ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী। শ্ৰী মোদীৰ ভাষণত কেইবাবাৰো ইজৰাইলৰ সাংসদসকলে সমৰ্থন জনায়। নিজৰ বক্তব্যত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ খৰতকীয়া অৰ্থনৈতিক বিকাশত আলোকপাত কৰি কয়, যে ভাৰত এতিয়া বিশ্বৰ তৃতীয় অৰ্থনীতি হিচাপে পৰিগণিত হ’বলৈ আগবাঢ়িছে।

ইয়াৰ পূৰ্বে অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৰ সৈতে তেলআভিভত বৈঠকত বহে। দুয়োগৰাকী নেতাই দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰে। লগতে জল ব্যৱস্থাপনা, কৃষি-প্ৰযুক্তি আৰু অন্যান্য প্ৰধান খণ্ডত সহযোগিতা সম্প্ৰসাৰণৰ বিষয়ে আলোচনা কৰে।

শ্ৰী মোদীয়ে আজি জেৰুজালেমৰ য়াদ ৱাছেম পৰিদৰ্শন কৰিব আৰু হ’ল’কাষ্টৰ ভুক্তভোগীসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে এখন চমু প্ৰাৰ্থনাসভাত অংশগ্ৰহণ কৰিব। তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ইছাক হাৰজগক সাক্ষাৎ কৰিব আৰু তাৰ পাছতে প্ৰধানমন্ত্ৰী নেটান্যাহুৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ’ব। এই আলোচনাত বিজ্ঞান-প্ৰযুক্তি, উদ্ভাৱন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, বাণিজ্য আৰু বিনিয়োগ, গণসংযোগ

আদি কেইবাটাও প্ৰধান বিষয়ত  দুয়োগৰাকী নেতাই মত বিনিময় কৰিব। এই আলোচনাতে কেইবাখনো চুক্তি স্বাক্ষৰিত হ'ব।

ভ্ৰমণৰ শেষৰফালে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় মূলৰ ইহুদী সম্প্ৰদায়ৰ সৈতে মত বিনিময় কৰিব।

০০০০০০০

দহখন ৰাজ্যৰ ৩৭খন ৰাজ্যসভা আসনৰ নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে অধিসূচনা জাৰি কৰিছে। সেই অনুসৰি আজিৰপৰা ৫ মাৰ্চলৈকে প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব।
ভোটগ্ৰহণ ১৬ মাৰ্চত কৰা হ'ব।

বৰ্তমান মহাৰাষ্ট্ৰত ৭খন, তামিলনাডুত ৬খন, বিহাৰত ২খন, পশ্চিমবংগত ২খন, ওড়িশাত ৪খন, অসমত ৩খন আৰু তেলেংগানা, ছত্তীশগড়, হাৰিয়ানাত ২খনকৈ আৰু হিমাচল প্ৰদেশত এখন আসন খালী হৈ আছে। এপ্ৰিলত উচ্চ সদনৰ কাৰ্যকাল শেষ হ'বলগীয়া সাংসদসকলৰ ভিতৰত আছে-কেন্দ্ৰীয় মন্ত্ৰী ৰামনাথ ঠাকুৰ আৰু ৰামদাস আথাৱালে, ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ, এন চি পিৰ এছ পি গোটৰ শাৰদ পাৱাৰ, আৰ এল এমৰ উপেন্দ্ৰ কুশৱাহা, কংগ্ৰেছৰ অভিষেক মনু সিংভী, এ আই এ ডি এম কেৰ এম থাম্বিদুৰাই, ডি এম কেৰ তিৰুচি শিৱা আদি। নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি বেলট পেপাৰত ৰিটাৰ্নিং বিষয়াই যোগান ধৰা বিশেষ বেঙুনীয়া ৰঙৰ স্কেচ পেনেৰে ভোটদান কৰিব লাগিব। ৰাজ্যসভা নিৰ্বাচনৰ আন কোনোধৰণৰ কলম ব্যৱহাৰ কৰিব নোৱাৰিব।

০০০০০০০

দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত নিৰ্বাচন আয়োগৰ এটা দলে আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে তামিলনাডু ভ্ৰমণ কৰিব। ৰাজ্যখনত আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মুখ্য নিৰ্বাচন আয়ুক্তৰ লগতে নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীয়ে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ লগত বৈঠকত মিলিত হোৱাৰ লগতে স্বীকৃত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতেও আলোচনা কৰিব। ৰাজ্যখনত দুদিন পূৰ্বে প্ৰকাশ হোৱা বিশেষ পুংখানুপুংখ সংশোধিত ভোটাৰ তালিকা অনুসৰি ৫ কোটি ৬৭ লাখ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। ২০২৪ চনৰ সংসদীয় নিৰ্বাচনত ৬ কোটি ২৭ লাখ আৰু ২০২১ চনৰ বিধানসভা নিৰ্বাচনত ৬ কোটি ৬২ লাখ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছিল।

০০০০০০০

জেনেভাত ২৩ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ ৬১ সংখ্যক অধিৱেশনত ভাৰতে পাকিস্তানক কঠোৰ বাৰ্তা দিছে। এই অধিৱেশন ৩১ মাৰ্চলৈকে চলিব। ভাৰতে অভিযোগ কৰে যে জম্মু-কাশ্মীৰৰ উন্নয়নমূলক কাম-কাজ পাকিস্তানৰ অৰ্থনৈতিক সমস্যাত প্ৰভাৱ পেলাইছে বুলি ইছলামাবাদে ভুৱা প্ৰচাৰ চলাই আছে। কালি ভাৰতৰ প্ৰতিনিধি অনুপমা সিঙে পাকিস্তান আৰু ইছলামি সহযোগিতা সংস্থাৰ অভিযোগ খণ্ডন কৰি প্ৰত্যুত্তৰ দিয়ে। তেওঁ কয়, যে পাকিস্তানৰ এনেধৰণৰ অভিযোগ ভাৰতে সদায় অস্বীকাৰ কৰি আহিছে। শ্ৰীমতী সিঙে দোহাৰে যে জম্মু-কাশ্মীৰ ভাৰতৰ অবিচ্ছেদ্য অংগ আছিল, আছে আৰু থাকিব। এই ক্ষেত্ৰত ভাৰতৰ স্থিতি পৰিৱৰ্তন নহয় বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। ভাৰতৰ প্ৰতিনিধিগৰাকীয়ে কয়,যে পাকিস্তানে ভাৰতৰ একাংশ ভূমি অবৈধভাৱে দখল কৰি থকাটোৱে হৈছে এই অঞ্চলৰ একমাত্ৰ বাহ্যিক সমস্যা।

## -ভইচ কাষ্ট-

গণতান্ত্ৰিক প্ৰক্ৰিয়াক কৰা সমালোচনাৰ প্ৰসংগত শ্ৰীমতী সিঙে কয়, যে এখন নিৰ্বাচিত চৰকাৰে কাচিৎহে কাৰ্যকাল সম্পূৰ্ণ কৰা এখন দেশৰ পৰা গণতন্ত্ৰৰ ভাষণ শুনিব নোৱাৰি। জম্মু-কাশ্মীৰৰ শেহতীয়া নিৰ্বাচনত ভোটদাতা ৰাইজৰ অভূতপূৰ্ব সঁহাৰিৰ কথাও উল্লেখ কৰি তেওঁ কয়, যে এই কথাই জম্মু-কাশ্মীৰবাসীয়ে সন্ত্ৰাস-হিংসা পৰিহাৰ কৰি উন্নয়নৰ পথেৰে অগ্ৰসৰ হ'ব খোজাৰ মনোভাৱকে প্ৰতীয়মান কৰিছে। পাকিস্তানে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতাৰ অঞ্চলটোৰ শান্তি বিঘ্নিত কৰি অহা বুলি অভিযোগ কৰি শ্ৰীমতী সিঙে কয়, যে জম্মু-কাশ্মীৰত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ ধাৰা অব্যাহত থাকিব।

০০০০০০০

স্বাধীনতা সংগ্ৰামী বীৰ বিনায়ক দামোদৰ সাভাৰকাৰৰ মৃত্যুবাৰ্ষিকী উপলক্ষে আজি কৃতজ্ঞ ৰাষ্ট্ৰই শ্ৰদ্ধা নিবেদন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মৃত্যুবাৰ্ষিকীত স্বাধীনতা সংগ্ৰামীগৰাকীলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে বীৰ সাভাৰকাৰে দেশক দাসত্বৰ বন্ধনৰ পৰা মুক্ত কৰিবলৈ নিজৰ জীৱন উৎসৰ্গা কৰিছিল। এই গৰাকী স্বাধীনতা সংগ্ৰামীৰ ব্যক্তিত্ব আৰু কৰ্মই প্ৰতিটো প্ৰজন্মক উৎসাহিত কৰিব বুলি তেওঁ মন্তব্য কৰে। শ্ৰীশ্বাহে সাভাৰকাৰৰ মৃত্যুবাৰ্ষিকী উপলক্ষে দিয়া বাৰ্তাত কয়, যে এইগৰাকী মহান স্বাধীনতা সেনানীয়ে বৃটিছ ঔপনেৱেশিক শাসন আৰু সাংস্কৃতিক স্বাধীনতাৰ বাবে যুঁজ দিছিল। তেওঁৰ স্বৰাজৰ আদৰ্শই যুৱপ্ৰজন্মক অনুপ্ৰাণিত কৰিছিল বুলি শ্ৰীশ্বাহে মত প্ৰকাশ কৰে। প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে সাভাৰকাৰৰ প্ৰতি শ্ৰদ্ধা জনাই দিয়া বাৰ্তাত কয়, যে স্বাধীনতা সেনানীগৰাকীৰ অদম্য সাহস, অতুলনীয় ত্যাগ আৰু দেশৰ প্ৰতি সেৱাৰ মনোভাৱৰ ভাৰতৰ স্বাধীনতা আন্দোলনৰ এটা গৌৰৱময় পৃষ্ঠা হিচাপে পৰিগণিত হৈ ৰ'ব। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও বিনায়ক দামোদৰ সাভাৰকাৰৰ মৃত্যুবাৰ্ষিকীত গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। অগ্ৰণী, বিপ্লৱী, দূৰদৰ্শী চিন্তাধাৰা আৰু অদম্য সাহসৰ প্ৰতীক হিচাপে স্বাধীনতা সংগ্ৰামীগৰাকীৰ ব্যক্তিত্বক দেশবাসীয়ে সদায় স্মৰণ কৰিব বুলি ডঃ শৰ্মাই উল্লেখ কৰে।

০০০০০০০

কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নে কাইলৈ ভাৰতলৈ আহিব। নিজৰ কাৰ্যকালৰ প্ৰথমটো ভাৰত ভ্ৰমণত তেওঁ ২ মাৰ্চলৈকে নতুন দিল্লীত থাকিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা বিবৃতিত উল্লেখ কৰা অনুসৰি প্ৰধানমন্ত্ৰী কাৰ্নে কাইলৈ মুম্বাইত উপস্থিত হ'ব। তাৰ পিছৰ দুদিনত তেওঁ বিভিন্ন ব্যৱসায়িক কাৰ্যসূচীত ব্যস্ত থকাৰ লগতে ভাৰত-কানাডাৰ আগশাৰীৰ ব্যৱসায়ীসকল, উদ্যোগ আৰু বিত্তীয় বিশেষজ্ঞ, উদ্ভাৱক, শিক্ষাবিদৰ সৈতে মত বিনিময় কৰিব।

০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত হবলগীয়া ছুপাৰ এইটৰ এখন খেলত ৱেষ্ট ইণ্ডিজ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

সন্ধিয়া ৭ বজাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ভাৰত জিম্বাবুৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ এখনখেলত নিউজিলেণ্ডে শ্ৰীলংকাক ৬১ ৰানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত নিউজিলেণ্ডে ছেমিফাইনেলত প্ৰৱেশৰ সম্ভাৱনা সুদৃঢ় কৰাৰ বিপৰীতে শ্ৰীলংকাই প্ৰতিযোগিতাৰ পৰা বিদায় লোৱাটো নিশ্চিত হৈছে।

কালিৰ খেলখনত শ্ৰীলংকাই ১৬৯ ৰাণৰ বিজয় লক্ষ্যৰেখেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১০৭ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে।

০০০০০০০

সমাপ্ত